### গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু

# মৰিধল মহাবিদ্যালয়ৰ নৱনিৰ্মিত গৃহ উদ্বোধন

নিয়মীয়া বাৰ্তা, চিচিবৰগাঁও, ৩০ জানুৱাৰী ঃ ধেমাজি জিলাৰ মৰিধলস্থিত মৰিধল মহাবিদ্যালয়ত অসম চৰকাৰৰ শিক্ষা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা জাতি, কল্যাণ দপ্তৰৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত এটা বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়। মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক প্ৰদীপ বড়াই আঁত ধৰা সভাখনত আদৰণী ভাষণ ৰাখে অধ্যক্ষ ড° দীপেন শইকীয়াই। ইফালে, শিক্ষামন্ত্ৰীগৰাকীয়ে এই বিশেষ সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক পৰিৱৰ্তিত যুগৰ লগত খোজ মিলাই উচ্চ শিক্ষাৰে আগুৱাই নিয়াৰ বাবে আহ্বান জনায়। ইফালে, আজি মৰিধল মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ গ্ৰাম্য মহাবিদ্যালয় উন্নয়ন শিতানৰ পুঁজিৰে নিৰ্মিত এটি গৃহ উদ্বোধন কৰাৰ লগতে মহাবিদ্যালয়খনৰ কেন্দ্ৰীয় পুথিভঁৰালটো সদ্য অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ ড° কমল গগৈৰ নামত আনুষ্ঠানিকভাৱে নামকৰণ কৰে। আনহাতে, মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পুথিভঁৰাল আৰু নৱনিৰ্মিত গৃহটো উদ্বোধন কৰি দিয়া ভাষণত মহাবিদ্যালয় পৰিয়ালক বৰ্তমান দেশৰ প্ৰধানমন্ত্ৰীৰ আহ্বানক্ৰমে চলি থকা 'পঢ়ে ভাৰত গঢ়ে ভাৰত' আঁচনিখন সফল ৰূপায়ণ কৰি ছাত্ৰ-ছাত্ৰীসকলক এক অধ্যয়নমুখী পৰিৱেশ গঢ়ি তুলিবলৈ আহ্বান জনায়। ইফালে, সভাত সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° কমল গগৈয়ে উপস্থিত থাকি তেওঁৰ নামত মহাবিদ্যালয়ৰ কেন্দ্ৰীয় পুথিভঁৰালটো নামকৰণ কৰাত সকলোকে ধন্যবাদ জ্ঞাপন



কৰাৰ লগতে মহাবিদ্যালয়খনত বিজ্ঞান শাখা প্ৰৱৰ্তন কৰাত অসম চৰকাৰৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। আজি এই বিশেষ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে ধেমাজি নগৰ উন্নয়ন প্ৰাধিকৰণৰ সভাপতি তোলন কোঁৱৰ, অনুসূচিত জাতি উন্নয়ন পৰিষদৰ উপ-সভাপতি লক্ষীধৰ শেনছোৱাকে ধৰি অঞ্চলটোৰ ভালেসংখ্যক গণ্যমান্য ব্যক্তি।